পাঠ ৯

I7Q6G1

প্ত, হ্ব, স্র, ঞ্চ, ভ্র

# সাহসী ছোৱালীজনী

"বন্দে মাতৰম্, বন্দে মাতৰম্" ধ্বনি দি শোভাযাত্ৰা কৰি দলটো গহপুৰ থানা অভিমুখে আগবাঢ়ি গ'ল। সন্মুখত এজনী কোমল বয়সীয়া ছোৱালী। ছোৱালীজনীৰ হাতত পতাকা। উদাত্ত কণ্ঠৰে তাই স্বদেশপ্ৰেমৰ গীত জুৰিলে—



'ডেকা গাভৰুৰ দল!
বীৰ বীৰাঙ্গনাৰ দল !
নতুন তেজেৰে ৰাঙলী ৰূপহী
কৰহি ধৰণী তল।
খোজৰ ভৰত কঁপক ধৰণী,
তৰুণ চকুত জ্বলক অগনি,
শত সহস্ৰ মৃত্যু নেওচি
ব'ল আগুৱাই ব'ল।'



গীত গাই গাই দলটো থানাৰ সন্মুখ পালেগৈ। লগে লগে পুলিচে বাট আগচি ধৰি হুংকাৰ দিলে— "সাৱধান, আৰু আগ নাবাঢ়িবা; এখোজ আগবাঢ়িলেই গুলী কৰিম।" পৰিৱেশ উত্তপ্ত হৈ পৰিল। কিন্তু হাতত পতাকা লোৱা ছোৱালীজনীয়ে পুলিচৰ হুংকাৰলৈ ভ্ৰূক্ষেপ নকৰি বীৰদৰ্পে ক'লে— "এইখন আমাৰ দেশ, এইখন দেশত বিদেশীৰ কোনো অধিকাৰ নাই। থানাত আমি জাতীয় নিচান উৰুৱামেই।" এইবুলি ছোৱালীজনীয়ে সকলোকে আগুৱাবলৈ আহ্বান জনালে। তেওঁ নিজে আগবাঢ়ি গৈ পতাকা উৰুৱাবলৈ উদ্যত হ'ল। লগে লগে পুলিচে তেওঁলৈ গুলী এৰিলে। গুলীয়ে ছোৱালীজনীৰ বুকু ভেদি গ'ল। তেওঁ থিতাতে বাগৰি পৰিল। দেশৰ হকে যুঁজি তেওঁ ছহিদ হ'ল।

দেশৰ বাবে প্ৰাণ আহুতি দিয়া এই সাহসী ছোৱালীজনীয়েই হ'ল কনকলতা। কাহিনীটো ১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ। তেতিয়া সমগ্ৰ দেশতেই স্বাধীনতা আন্দোলনৰ ঢৌ। কোমলমতীয়া কনকলতায়ো সেই অনুপ্ৰেৰণাৰে আন্দোলনত নামি মৃত্যুবৰণ কৰিছিল।

*(পাঠৰ গীতটিৰ গীতিকাৰ - নবীনচন্দ্ৰ বৰদলৈ, সংগ্ৰহ— অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী, সম্পাদনা ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা, পৃষ্ঠা - ৯৭৬, প্ৰকাশ ঃ ১৯৮৬ চন)*

### কনকলতাৰ চমু পৰিচয়

| | | |
|---|---|---|
| সম্পূৰ্ণ নাম | — | কনকলতা বৰুৱা |
| জন্মস্থান | — | শোণিতপুৰ জিলাৰ বৰঙাবাৰী |
| পিতৃৰ নাম | — | স্বৰ্গীয় কৃষ্ণকান্ত বৰুৱা |
| মাতৃৰ নাম | — | স্বৰ্গীয়া কৰ্ণেশ্বৰী বৰুৱা |
| কৰ্মৰাজি | — | ● ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ<br>● নাৰী বাহিনী গঠন<br>● সাহসিকতা প্ৰদৰ্শন কৰি দেশৰ হকে মৃত্যুবৰণ |

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া



**উত্তৰ দিয়া।**



(১)

(ক) দলটোৱে কি ধ্বনি দি শোভাযাত্ৰা কৰিছিল?

(খ) শোভাযাত্ৰা কৰি দলটো কোনফালে আগবাঢ়িছিল?

(গ) শোভাযাত্ৰাৰ সন্মুখত থকা ছোৱালীজনীয়ে কি গীত জুৰিছিল?

(ঘ) পতাকা উৰুৱাবলৈ যাওঁতে পুলিচে কি কৰিলে?

(ঙ) দেশৰ বাবে প্ৰাণ আহুতি দিয়া ছোৱালীজনীৰ নাম কি?

(২) **তলৰ কথাকেইষাৰ কোনে কৈছিল?**

(ক) "সাৱধান, আৰু আগ নাবাঢ়িবা; এখোজ আগবাঢ়িলেই গুলী কৰিম।"

(খ) "এইখন আমাৰ দেশ, এইখন দেশত বিদেশীৰ কোনো অধিকাৰ নাই। থানাত আমি জাতীয় নিচান উৰুৱামেই।"

দলত আলোচনা কৰি তলৰ শব্দবোৰৰ অৰ্থ লিখা।



| শব্দ | অৰ্থ |
|---|---|
| হুংকাৰ | |
| ভ্ৰূক্ষেপ | |
| আগচি | |
| উত্তপ্ত | |
| উদ্যত | |
| আহুতি | |

**তলৰ শব্দবোৰৰ সহায়ত খালী ঠাই পূৰ কৰা।**

নিচান ভ্ৰূক্ষেপ উত্তপ্ত উদাত্ত

(ক) ...................... কণ্ঠৰে তাই স্বদেশ প্ৰেমৰ গীত জুৰিছিল?

(খ) পুলিচৰ হুংকাৰ শুনাৰ পাছত পৰিৱেশ ...................... হৈ পৰিল।

(গ) ছোৱালীজনীয়ে পুলিচৰ হুংকাৰলৈ ...................... নকৰিলে।

(ঘ) থানাত আমি জাতীয় ...................... উৰুৱামেই।

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



### যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

| | | | | | | |
|---|---|---|---|---|---|---|
| উত্তপ্ত | প্ত | প + ত | পই | তই | প্ত | |
| আহ্বান | হ্ব | হ + ব | হই | বই | হ্ব | |
| সহস্ৰ | স্ৰ | স + ৰ | সই | ৰই | স্ৰ | |
| কৃষ্ণ | ষ্ণ | ষ + ণ | ষই | ণই | ষ্ণ | |
| ভ্ৰূক্ষেপ | ভ্ৰূ | ভ + ৰ + ঊ | ভই | ৰই | ভ্ৰ | তাত ঊকাৰে ভ্ৰূ |

### যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| হ + ব | হই | বই | হ্ব | প + ত | পই | তই | প্ত |
| স + ৰ | সই | ৰই | স্ৰ | ষ + ণ | ষই | ণই | ষ্ণ |

ভ + ৰ + ঊ ভই ৰই ভ্ৰ তাত ঊকাৰে ভ্ৰূ

### শুদ্ধটোৰ কাষত ✓ চিন আৰু ভুলটোৰ কাষত ✗ চিন দিয়া।

ষ্ণ — ষ + ণ / ষ + ঞ

ভ্ৰূ — ভ + ঊ + ৰ / ভ + ৰ + ঊ



### জানো আহা

ষ ৰ লগত ণ যোগ হ'লে যুক্তাক্ষৰটো ষ্ণ হয়। সেইবাবে বহুতে 'ষ্ণ' যুক্তাক্ষৰ ভাঙোতে ষ + ঞ বুলি ভুল কৰে।

☞ হ আৰু জৰ লগত 'ৰ' (্ৰ) - কাৰ যুক্ত কৰি যুক্তাক্ষৰবোৰ অনুশীলন কৰাব।

☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী


## জানো আহা

পাঠটোত বিপৰীত লিংগ বুজোৱা কেইটামান শব্দ আছে, যেনে —

**পুংলিংগ বুজোৱা শব্দ** — ডেকা, বীৰ

**স্ত্রীলিংগ বুজোৱা শব্দ** — গাভৰু, বীৰাংগনা

**এতিয়া পাঠত থকা আন কিছুমান বিপৰীত লিংগৰ লগত চিনাকি হওঁ আহা**



| পুংলিংগ | স্ত্রীলিংগ |
| --- | --- |
| ল'ৰা | ছোৱালী |
| ল'ৰাটো | ছোৱালীজনী |
| ৰূপহ | ৰূপহী |
| এজন | এজনী |

**পাঠত নথকা অথচ আমি প্রায়ে ব্যৱহাৰ কৰা কিছুমান তেনেধৰণৰ পুৰুষ আৰু স্ত্রী বুজোৱা শব্দৰ লগত চিনাকি হওঁ আহা**

| | | | | | |
| --- | --- | --- | --- | --- | --- |
| দেউতা | — | মা | ছাত্র | — | ছাত্রী |
| পেহা | — | পেহী | গায়ক | — | গায়িকা |
| খুৰা | — | খুৰী | নায়ক | — | নায়িকা |
| তাৰৈ | — | আমৈ | ৰজা | — | ৰাণী |
| ককা | — | আইতা | নিলাজ | — | নিলাজী |
| বন্ধু | — | বান্ধৱী | দৰা | — | কইনা |
| বাঘ | — | বাঘিনী | বলধ | — | গাই |

চাই চাই লিখা।

# স্বাধীনতা আমাৰ জন্মস্বত্ব

## গ — জ্ঞান সম্প্ৰসাৰণ

পঢ়োঁ আৰু লিখোঁ আহা

- বিষ্ণু সপ্তম শ্ৰেণীৰ ছাত্ৰ। ..........................................
- সপ্ত মানে সাত। ..........................................
- সাত দিনত এসপ্তাহ হয়। ..........................................
- সহস্ৰ মানে এহাজাৰ। ..........................................
- গুহাক গহ্বৰো বোলে। ..........................................

জানি থওঁ আহা

**তলৰ শব্দ দুটাত 'ও' আৰু 'ত্ত' ৰ পাৰ্থক্য চাওঁ আহা**

**ওখ উত্তৰ**

'ও' - এটা স্বৰবৰ্ণ — ওপৰ, ওখ, নেওতা

'ত্ত' - ত + ত = ত্ত। ও ৰ লগত ৰূপগত পাৰ্থক্য হ'ল— ইয়াৰ ওপৰত মাত্ৰা থাকে

যেনে — উত্তৰ, সত্তৰ, উদাত্ত

'ন্তু' - ন + ত + উ - ইয়াত ত + উ ৰ ৰূপটো দেখাত ও ৰ দৰে হ'লেও ইয়াৰ উচ্চাৰণ উ।

যেনে — কিন্তু, জন্তু, আগন্তুক

ঠিক সেইদৰে - স + ত + উ = স্তু — বস্তু, দস্তুৰ, প্ৰস্তুত, কস্তুৰী, প্ৰস্তুতি

আকৌ, 'ক' ৰ লগত 'ত' যোগ হ'লে 'ক্ত' ৰ সলনি 'ক্ত' ৰূপ হয়।

যেনে - উক্ত, মুক্ত, ভক্ত, যুক্তি, সংযুক্ত

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

জাতীয় পতাকাখন আঁকা। ইয়াৰ বিষয়ে কেইটামান বাক্য লিখোঁ আহা

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................

তলত উল্লেখ কৰা তাৰিখবোৰ আমি কি কি দিৱস হিচাপে পালন কৰোঁ লিখোঁ আহা

১৫ আগষ্ট — ........................................

২৬ জানুৱাৰী — ........................................

২ অক্টোবৰ — ........................................

২০ জুন — ........................................

১৭ জানুৱাৰী — ........................................



পাঠত থকা স্বদেশ প্ৰেমৰ গীতটো লগে-ভাগে গাওঁ আহা

### ঘ— প্ৰকল্প

- ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা কেইগৰাকীমান ব্যক্তিৰ ছবি সংগ্ৰহ কৰা। ডাঠ কাগজত ছবিবোৰ আঠা লগাই ছবিৰ তলত নাম লিখা।
- "সাহসী ছোৱালীজনী" পাঠটো নাটকীয় সংলাপেৰে অভিনয় কৰা।

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*